# REGIONAL NEWS UNIT
AKASHVANI :: GUWAHATI
0000000000

**Date : 14-03-2025**
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
**::::::::::::::::::::::::::::::::**

১। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ আজি তিনিদিনীয়া ভ্ৰমণসূচীৰে অসম আগমণ। কাইলৈ দেৰগাঁৱৰ লাচিত বৰফুকন পুলিচ একাডেমীৰ নৱনিৰ্মিত ভৱন মুকলি।
২। ৰাজ্যত অহা ১ এপ্ৰিলৰ পৰা মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনি ৰূপায়ণ।
৩। বৰপেটা জিলাৰ বৈষ্ণৱ ঐতিহ্যৰ সংৰক্ষণৰ লক্ষ্যৰে মুখ্যমন্ত্ৰীৰ  আজি কেইবাটাও প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন।
৪। ৰাজ্যজুৰি ফাকুৱাৰ ব্যাপক-উৎসাহ উদ্দীপনা। পৰম্পৰাগত ৰীতি-নীতিৰে বিভিন্ন স্থানত দৌল উৎসৱ পালন।

*আৰু*

৫। বৰদলৈ ট্ৰফী ফুটবল প্ৰতিযোগিতাত প্ৰথমবাৰৰ বাবে উত্তৰ-পূব সীমান্ত ৰে'লৱে ক্ৰীড়া সন্থাৰ খিতাপ অৰ্জন।

০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আজি তিনিদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ আহিব। আজি নিশাটো দেৰগাঁৱত কটোৱাৰ পাছত কাইলৈ পুৱাৰ ভাগত তেওঁ দেৰগাঁৱৰ লাচিত বৰফুকন পুলিচ একাডেমীৰ নৱনিৰ্মিত ভৱন মুকলি কৰিব। ১৬৭ কোটি ৪০ লাখ টকাৰ ব্যয় সাপেক্ষে এই ভৱনটো নিৰ্মাণ কৰা হৈছে। গৃহমন্ত্ৰীগৰাকীয়ে লগতে ৪২৫ কোটি ৪৮ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া লাচিত বৰফুকন পুলিচ একাডেমীৰ আৱাসগৃহ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। অনুষ্ঠানত কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা উপস্থিত থাকিব। ইয়াৰ পাছত গৃহমন্ত্ৰীগৰাকী যোৰহাট হৈ আইজললৈ যাত্ৰা কৰিব। গৃহমন্ত্ৰীগৰাকীয়ে দেশৰ আটাইতকৈ পুৰণি অৰ্ধসামৰিক বাহিনী আছাম ৰাইফলছৰ প্ৰায় ডেৰশ বছৰ পুৰণি ছাউনীটো আইজল নগৰৰ পৰা প্ৰায় ১৫ কিলোমিটাৰ নিলগৰ জোখ'ছাঙলৈ স্থানান্তৰিত কৰা অনুষ্ঠানত ভাগ ল'ব। উল্লেখযোগ্য যে, যোৱা বছৰৰ ২৩ অক্টোবৰত নতুন দিল্লীত মিজোৰাম চৰকাৰ আৰু আছাম ৰাইফলছ বাহিনীৰ মাজত সম্পাদিত চুক্তি অনুসৰি আইজল নগৰৰ সোঁমাজত থকা আছাম ৰাইফলছৰ ঘাটি আইজলৰ পৰা জোখ'ছাঙলৈ স্থানান্তৰিত কৰাৰ সিদ্ধান্ত লোৱা হৈছিল। এই চুক্তি অনুসৰি আছাম ৰাইফলছৰ আইজলৰ খাটলাত থকা মিজোৰাম খণ্ডৰ আঞ্চলিক চৌহদ আৰু টুইখোৰটলাঙৰ ৰাজভৱনৰ সমীপত থকা উপ-আৰক্ষী মহাপৰিদৰ্শকৰ চৰকাৰী বাসভৱন স্থানান্তৰিত কৰা নহয়। উল্লেখযোগ্য যে, জোখ'ছাঙত বাহিনীটোৰ মূল শিবিৰৰ নিৰ্মাণৰ কাম গৃহমন্ত্ৰী অমিত শ্বাহে যোৱা বছৰৰ এপ্ৰিল মাহত আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰিছিল।

কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকী আইজলৰ পৰা গুৱাহাটীলৈ উভতি আহি কইনাধৰাৰ ৰাজ্যিক অতিথিশালাত নিশাটো অতিবাহিত কৰিব। পৰহিলৈ গৃহমন্ত্ৰীগৰাকীয়ে কোকৰাঝাৰত নিখিল বড়ো ছাত্ৰ সন্থাৰ বাৰ্ষিক অধিৱেশনত অংশগ্ৰহণ কৰিব। নতুন দিল্লীলৈ উভতি যোৱাৰ পূৰ্বে শ্ৰীশ্বাহে গুৱাহাটীৰ হোটেল ৰেডিশ্বন ব্লুত ভাৰতীয় ন্যায় সংহিতাৰ ৰূপায়ণ সন্দৰ্ভত উত্তৰ-পূৰ্বাঞ্চলৰ আঠোখন ৰাজ্যৰ মুখ্যমন্ত্ৰীৰ সৈতে বৈঠকত মিলিত হ'ব।

০০০০

ৰাজ্যত অহা ১ এপ্ৰিলৰ পৰা মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনি ৰূপায়ণৰ জৰিয়তে ২৭ লাখ মহিলাক আঁচনিৰ চেক বিতৰণ কৰা হ'ব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই জনতা ভৱনত আয়োজিত এখন সংবাদমেলত এই কথা প্ৰকাশ কৰি কয়, যে বিহালীত ২৩ হাজাৰ মহিলাক চেক বিতৰণেৰে এই আঁচনিৰ শুভাৰম্ভ কৰা হ'ব।  ৰাজ্য চৰকাৰৰ এই ধ্বজাবাহী আঁচনিখন দেশৰ ভিতৰতে মহিলা  সবলীকৰণৰ ক্ষেত্ৰত এখন বৃহৎ আঁচনি বুলি উল্লেখ কৰি ড০ শৰ্মাই কয়, যে ৰাজ্যৰ আত্মসহায়ক

গোটৰ সদস্য হিচাপে থকা ৩৬ লাখ মহিলাৰ ভিতৰত প্ৰায় ২৭ লাখ মহিলা এই আঁচনিৰ যোগ্য বিবেচিত হ'ব। ইয়াৰ বাবে অহা ৩১ মাৰ্চৰ ভিতৰত হিতাধিকাৰীৰ তালিকা চূড়ান্ত কৰা হ'ব। হিতাধিকাৰীসকলে প্ৰথম কিস্তিত লাভ কৰা ১০ হাজাৰ টকা উপযুক্তভাৱে ব্যৱহাৰ কৰিলে তেওঁলোকক দ্বিতীয় কিস্তিতি ২৫ হাজাৰ টকা প্ৰদান কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে।

*-বাইট-*

মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনি সন্দৰ্ভত ডিব্ৰুগড় জিলা আয়ুক্তৰ সভাকক্ষত কালি এখন সভা অনুষ্ঠিত হয়। সভাত এই আঁচনিৰ বাবে হিতাধিকাৰী বাছনি প্ৰক্ৰিয়া তথা যোগ্যতাৰ চৰ্তসমূহৰ বিষয়ে বিতংভাৱে আলোচনা কৰা হয়। জিলা আয়ুক্ত বিক্ৰম কৈৰীয়ে  অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ ডিব্ৰুগড় জিলা শাখাৰ প্ৰকল্প প্ৰৱন্ধকক অহা ২৭ মাৰ্চৰ ভিতৰত এই আঁচনিৰ চূড়ান্ত তালিকা জমা দিবলৈ নিৰ্দেশ দিয়ে।

০০০০

বৰপেটা জিলাৰ বৈষ্ণৱ ঐতিহ্যৰ সংৰক্ষণৰ লক্ষ্যৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি কেইবাটাও প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। মুখ্যমন্ত্ৰীয়ে আজি এই উপলক্ষে বৰপেটাৰ শ্ৰীশ্ৰীপাটবাউসী সত্ৰত আয়োজিত এটা কাৰ্যসূচীত অংশ ল'ব। মুখ্যমন্ত্ৰীয়ে ৫০ লাখ টকা ব্যয় সাপেক্ষে পাটবাউসী সত্ৰৰ শ্ৰীশ্ৰীশংকৰদেৱ থানত নিৰ্মাণ কৰা সংগ্ৰহালয়টো মুকলি কৰিব। তেওঁ লগতে সত্ৰখনৰ দেৱ দামোদৰ গুৰুৰ আদিধাম, চুণপোৰা ভিঠি থান প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। বৰপেটাত পৰ্যটন আৰু তীৰ্থ ভ্ৰমণৰ সুবিধাৰ বিকাশৰ উপৰি সবল আন্তঃগাঁথনিৰ নিয়োগ আৰু ৰাজহ সৃষ্টিৰ উদ্দেশ্যে এই প্ৰকল্পসমূহৰ নিৰ্মাণৰ দিহা কৰা হৈছে। আজি অনুষ্ঠানত বৈদেশিক পৰিক্ৰমা আৰু বস্ত্ৰ মন্ত্ৰালয়ৰ কেন্দ্ৰীয় ৰাজ্যমন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটা, মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, ৰঞ্জিত কুমাৰ দাসৰ উপৰি বৰপেটা লোকসভা সমষ্টিৰ সাংসদ ফণীভূষণ চৌধুৰী উপস্থিত থাকিব।

০০০০

ৰাজ্য চৰকাৰে অহা ১৯ মাৰ্চত প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত ৩ লাখ ৮০ হাজাৰ হিতাধিকাৰীলৈ গৃহ নিৰ্মাণৰ বাবে প্ৰথমটো কিস্তিৰ ধন বেংকযোগে হস্তান্তৰ কৰিব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি এখন সংবাদমেলত এই কথা প্ৰকাশ কৰি কয়, যে ২০২৫-২৬ বিত্তীয় বৰ্ষৰ ভিতৰত ৰাজ্যখনৰ প্ৰায় ৩০ লাখ পৰিয়ালে প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত চৰকাৰী অনুদানেৰে পকী ঘৰ নিৰ্মাণ কৰিবলৈ সমৰ্থ হ'ব। ৰাজ্যখনত এই আঁচনিৰ অধীনত নিৰ্মাণ হোৱা আৰু নিৰ্মাণ কাৰ্য চলি থকা বাসগৃহৰ সংখ্যা ২২ লাখ হৈছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। তেওঁ কয় যে কেন্দ্ৰীয় চৰকাৰে চলিত বিত্তীয় বৰ্ষত ৩ লাখ ৮০ হাজাৰ বাসগৃহ নিৰ্মাণৰ বাবে অনুমোদন দিছে আৰু ২০২৫-২৬ বৰ্ষত ৩ লাখ ৮০ হাজাৰ বাসগৃহৰ অনুমোদন পোৱা যাব বুলি আশা কৰা হৈছে।

এই আঁচনিৰ বাবে পূৰ্বে নিৰ্ধাৰিত অপেক্ষাৰত হিতাধিকাৰীৰ তালিকাত ৭ লাখ ৬০ হাজাৰ লোকৰ নাম অন্তৰ্ভুক্ত হৈ আছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে ইয়াৰ পৰৱৰ্তী সময়ত অহা এপ্ৰিল- মে' মাহত আৰু ৩ লাখ ৮০ হাজাৰ হিতাধিকাৰীক এই আঁচনিৰ ধন প্ৰদানৰ ব্যৱস্থা কৰা হ'ব। ইয়াৰ ফলত ৰাজ্যখনত প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত ৩০ লাখ হিতাধিকাৰীক ঘৰ প্ৰদানৰ লক্ষ্য প্ৰাপ্তি হ'ব।  তেওঁ কয়, যে এই আঁচনিৰ হিতাধিকাৰী চিনাক্ত কৰিবলৈ ৰাজ্য চৰকাৰে পুনৰবাৰ জিঅ' টেগিং কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ অনুমতি লৈছে। সেই অনুসৰি দেশৰ ভিতৰতে প্ৰথমবাৰৰ বাবে  জিঅ' টেগিঙৰ ক্ষেত্ৰত অভিনৱ পন্থা গ্ৰহণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে এইবাৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ বিষয়াৰ পৰিৱৰ্তে জীৱিকা সখীসকলে মহিলা আত্মসহায়ক গোটৰ সহযোগত গাঁৱে গাঁৱে গৈ জিঅ' টেগিং কৰিব। ইয়াৰ পাছতো জিঅ' টেগিঙৰ পৰা বঞ্চিত হৈ ৰোৱা লোকসকলৰ বাবে স্ব-জিঅ' টেগিঙৰ ব্যৱস্থা কৰা হ'ব বুলি ড০ শৰ্মাই জানিবলৈ দিয়ে।

০০০০

ৰাজ্যৰ প্ৰান্তে প্ৰান্তে কালিৰে পৰা পৰম্পৰাগত ৰীতি-নীতি আৰু উৎসাহ-উদ্দীপনাৰে দৌল উৎসৱ উদযাপন কৰা হৈছে। পৰস্পৰক আবিৰৰ ৰং সানি ফাকুৱা উদযাপন কৰিবলৈ সকলো সাজু হৈছে। ঐতিহ্যমণ্ডিত বৰপেটা সত্ৰৰ লগতে ৰাজ্যৰ ঠায়ে ঠায়ে দৌল উৎসৱক কেন্দ্ৰ কৰি উলহ-মালহৰ পৰিৱেশে বিৰাজ কৰিছে। বৰপেটা সত্ৰত কালি সন্ধিয়া গন্ধযাত্ৰাৰে দৌল মহোৎসৱৰ শুভাৰম্ভ কৰা হৈছে। বৰপেটাৰ পাটবাউসী, গনককুছি, সুন্দৰীদিয়া আৰু বাৰাদি সত্ৰতো দৌল মহোৎসৱ উপলক্ষে উখল-মাখল পৰিৱেশৰ সৃষ্টি হৈছে। কৃষ্ণ বন্দনা আৰু হোলী গীতেৰে বৰপেটাৰ আকাশ-বতাহ মুখৰ হৈ উঠিছে। ওড়িশাৰ পৰা

হোলী গীতৰ দল, মণিপুৰী সাংস্কৃতিক দল, আদিবাসী সাংস্কৃতিক দলৰ লগতে বিভিন্ন স্থানীয় শিল্পীৰ গীত পৰিৱেশনেৰে সত্ৰ নগৰীখন প্ৰাণ চঞ্চল হৈ উঠিছে। বৰপেটাৰ ৰাজপথত কালি হোলী গীতৰ মুকলি প্ৰতিযোগিতা অনুষ্ঠিত হয়।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান বটদ্ৰৱাত গুৰুজনাই প্ৰায় ৫০০ বছৰ পূৰ্বে আৰম্ভ কৰা পৰম্পৰাৰ সৈতে সংগতি ৰাখি বটদ্ৰৱা সত্ৰত কালিৰেপৰা পাঁচদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে দৌল উৎসৱৰ আয়োজন কৰা হৈছে। কালি গন্ধোৎসৱেৰে আৰম্ভ কৰি পৰম্পৰাগত ৰীতি-নীতিৰে গোসাঁইক কীৰ্তনঘৰৰ পৰা উলিয়াই আনি নোওৱাৰ পাছত নতুন আসনত স্থাপন কৰি ৰাম ধেমালি পৰিৱেশন কৰা হয়। আজি গোসাঁইৰ মূৰত ফাকু দিয়াৰ পৰা আৰম্ভ কৰি ৰাজ্যৰ ভিন ভিন প্ৰান্তৰ পৰা অহা ভক্ত-বৈষ্ণৱৰ নাম-কীৰ্তন আদি কাৰ্যসূচীৰ পাছত কাইলৈ গোসাঁইৰ ৰভাতলৰ পৰা উলিয়াই দৌললৈ যাত্ৰা কৰা হ'ব। দৌল যাত্ৰা উৎসৱৰ সৈতে সংগতি ৰাখি আজিৰ পৰা আকাশীগংগাৰ তীৰৰ আই খেৰসুঁতি প্ৰেক্ষাগৃহত সাংস্কৃতিক অনুষ্ঠানৰো আয়োজন কৰা হৈছে।

উত্তৰ গুৱাহাটীৰ ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰীদৌল গোবিন্দ মন্দিৰত আধ্যাত্মিক পৰম্পৰা আৰু ৰীতি-নীতিৰে দৌল উৎসৱ উদযাপন কৰিবলৈ লোৱা হৈছে। যোৱা নিশা মেষদাহ পৰ্বৰে এই উৎসৱৰ আৰম্ভণি হয়। ১৭ মাৰ্চত উৎসৱৰ সামৰণি পৰিব।

মাজুলীৰ ঐতিহাসিক দক্ষিণপাট সত্ৰ, গড়মূৰ সত্ৰ, বেঙেনাআটী সত্ৰ, চামগুৰি সত্ৰকে ধৰি কেইবাখনো সত্ৰত কালিৰে পৰা ফলগুৎসৱৰ আয়োজন কৰা হৈছে। মুখাশিল্পৰ বাবে বিশ্বখ্যাত চামগুৰি সত্ৰত চাৰিদিনীয়াকৈ দৌল উৎসৱৰ আয়োজন কৰা হৈছে।

কোচবিহাৰৰ ইতিহাস প্ৰসিদ্ধ মধুপুৰ সত্ৰতো কালিৰে পৰা তিনিদিনীয়াকৈ দৌল উৎসৱ পালন কৰা হৈছে। কালি গন্ধযাত্ৰাৰ লগতে সত্ৰৰ চৌহদত সাজি উলিওৱা ভেলাঘৰত অগ্নিসংযোগ কৰি ৰাইজৰ মংগল কামনা কৰা হয়। আজি গোসাঁইৰ সন্মুখত নাম প্ৰসংগ আৰু পৰিহলৈ গোসাঁইক লৈ শোভাযাত্ৰা কৰা হ'ব।

গোৱালপাৰা জিলাতো দৌল উৎসৱ উপলক্ষে জনসাধাৰণৰ মাজত আনন্দ মুখৰ পৰিৱেশৰ সৃষ্টি হৈছে। ৰংজুলিৰ ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰীৰামচন্দ্ৰ বিগ্ৰহ দেৱালয়ত কালিৰে পৰা ৫ দিনীয়া কাৰ্যসূচীৰে এই উৎসৱ অনুষ্ঠিত হৈছে। গোৱালপাৰাৰ শ্ৰীশ্ৰী শ্যামৰায় সত্ৰ আৰু পশ্চিম গোৱালপাৰাৰ কেৰলীয়া হাটী সত্ৰত কালি অধিবাস আৰু সান্ধ্য কীৰ্তনেৰে ৫ দিনীয়া দৌল মহোৎসৱৰ শুভাৰম্ভ কৰা হয়।

দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ হাটশিঙিমাৰিত ফাকুৱা উদযাপন কৰা হৈছে। বাক্সা জিলাৰ জেংৰেংপাৰাতো কালিৰে পৰা ৫ দিনীয়াকৈ দৌল উৎসৱ উদযাপন কৰা হ'ব।

গুৱাহাটী মহানগৰীতো দৌল উৎসৱ আৰু ফাকুৱা উপলক্ষে উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হৈছে। মহানগৰীৰ বজাৰসমূহ ৰং-বিৰঙী ফাকুগুৰী, ৰং আৰু ফাকুৱাৰ বিভিন্ন সামগ্ৰীৰে ভৰি পৰিছে। ফাকুৱা উপলক্ষে কামৰূপ মহানগৰ জিলাৰ লগতে বিভিন্ন জিলা প্ৰশাসনে কাইলৈ স্থানীয় বন্ধ ঘোষণা কৰিছে।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই দৌল উৎসৱ উপলক্ষে ৰাজ্যবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে এটা বাৰ্তাযোগে আবিৰৰ ৰঙে সকলোৰে মনপ্ৰাণ ৰঙীন কৰি তুলিব বুলি আশা প্ৰকাশ কৰিছে।

০০০০

গুৱাহাটীৰ পৰা আজি প্ৰকাশিত প্ৰায় আটাইকেইখন বাতৰি কাকতে ১৯ মাৰ্চত প্ৰায় ৪ লাখ হিতাধিকাৰীক গৃহ নিৰ্মাণৰ প্ৰথমটো কিস্তি প্ৰদান, গুৱাহাটীক বানমুক্ত কৰিবলৈ এপ্ৰিলৰ ভিতৰত জিঞ্জাৰ হোটেল - টেনিছ ক'ৰ্ট ভাঙি পেলোৱা, জি এম ডি এ কাৰ্যালয়ৰ সন্মুখত কংগ্ৰেছৰ বিক্ষোভ আদিৰ বাতৰিক প্ৰথম পৃষ্ঠাত স্থান দিয়া পৰিলক্ষিত হৈছে।

**দৈনিক অসম** কাকতে ঠিকাভিত্তিক কৰ্মচাৰীৰ চাকৰি নিয়মীয়া কৰিব নোৱাৰি বুলি পলিটেকনিকৰ অংশকালীন শিক্ষকৰ চাকৰি প্ৰসঙ্গত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কৰা মন্তব্য গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে। একেটা বাতৰি **নিয়মীয়া বাৰ্তা** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

মহাকাশচাৰী সুনিতা উইলিয়ামছ আৰু বুছ উইলম'ৰক ওভতাই অনাৰ বাবে প্ৰেৰণ কৰিবলগীয়া যানখনত উৎক্ষেপনৰ আগমুহূৰ্তত যান্ত্ৰিক বিজুতি ধৰা পৰাৰ বাতৰি আমাৰ অসম কাকতে উদ্ধাৰ অভিযান বাতিল - ধৰালৈ ওভতা নহ'ল সুনিতাৰ শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

অসমীয়া প্ৰতিদিন কাকতে সৰ্থেবাৰীৰ কাঁহ শিল্পলৈ দুৰ্যোগ নামি আহিছে বুলি উল্লেখ কৰি জি এছ টিৰ জালত কাঁহ শিল্পীৰ হাহাকাৰ শিৰোনামেৰে এটা বাতৰি প্ৰকাশ কৰিছে।

নিয়মীয়া বাৰ্তা কাকতে আজি তিনিদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ অমিত শ্বাহ শিৰোনামেৰে কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীৰ ভ্ৰমণৰ সবিশেষ বক্স বাতৰি হিচাপে প্ৰকাশ কৰিছে। একেটা বাতৰিক অসমীয়া প্ৰতিদিন, দৈনিক জনমভূমি, অসমীয়া খবৰ, দি আছাম ট্ৰিবিউন কাকতে ভিন ভিন শিৰোনামেৰে প্ৰথম পৃষ্ঠাত স্থান দিছে।

দৈনিক জনমভূমি কাকতে ৱৰ্ল্ড ইউনিভাৰচিটী ৰেংকিঙত ভাৰতৰ আগশাৰীৰ শিক্ষানুষ্ঠানৰ স্থান অৱনমিত হোৱাৰ বাতৰি প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে।

অসমীয়া খবৰ কাকতে ৩ মাহৰ ভিতৰত শিলচৰৰ ফ্লাইঅ'ভাৰৰ কাম আৰম্ভ হ'ব বুলি এটা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

দৈনিক অগ্ৰদূত কাকতে তামিলনাডু চৰকাৰে ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাজেটৰ পৰা দেৱনাগিৰি ভাষাত লিখা টকাৰ ৰূপী প্ৰতীক আঁতৰোৱাৰ বাতৰি হিন্দী জাপি দিয়াৰ বিৰুদ্ধে যুদ্ধংদেহী শিৰোনামেৰে প্ৰকাশ কৰিছে।

দি আছাম ট্ৰিবিউন কাকতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰধানমন্ত্ৰী আৱাস যোজনা সন্দৰ্ভত কালি কৰা মন্তব্যক New System to select PMAYG benificiaries শিৰোনামেৰে প্ৰথম পৃষ্ঠাত স্থান দিছে।

দ্য ছেণ্টিনেল কাকতে ম্যানমাৰৰ শৰণাৰ্থীয়ে সুৰক্ষালৈ ভাবুকি কঢ়িয়াই অনা বুলি উল্লেখ কৰি মিজোৰামৰ এটা সামাজিক সংস্থাই গৃহমন্ত্ৰী অমিত শ্বাহক ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনোৱা বাতৰিক প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে কাইলৈ নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাতত **ফাকুৱা বা দৌল উৎসৱৰ ৰং** শীৰ্ষক এটা বিশেষ অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত ৰাজ্যখনত থকা আকাশবাণীৰ কেইবাগৰাকীও সংবাদদাতা আৰু কেইবাগৰাকীও শ্ৰোতাই সময়ৰ সোঁতত এই উৎসৱৰ পৰিৱৰ্তন আৰু আকৰ্ষণ সম্পৰ্কত মতামত ব্যক্ত কৰিব। এই অনুষ্ঠানৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন ৰাজীৱ লোচন বৰঠাকুৰৰ।

আনহাতে, বাতৰি বিভাগে অহা দেওবাৰে সন্ধিয়া ৭ বাজি ৪৫ মিনিটৰ সংবাদ চলন্তিকাত গুৱাহাটী প্ৰেছ ক্লাবৰ উদ্যোগত গুৱাহাটীত কৰ্মৰত সাংবাদিকসকলে পৰিৱেশন কৰা **গান্ধাৰীৰ অভিশাপ** নামৰ ভাওনাৰ বিষয়ে বিশেষ অনুষ্ঠান প্ৰচাৰ কৰিব। এই ভাওনাখনৰ পৰিকল্পনা ঋতুপৰ্ণ দাসৰ আৰু পৰিচালনা ড° দীপেন দাসৰ। গুৱাহাটীৰ বিভিন্ন বৈদ্যুতিন চেনেলৰ সাংবাদিকে অভিনয় কৰা এই ভাওনাখনিত ধৃতৰাষ্ট্ৰৰ চৰিত্ৰত অভিনয় কৰিছে মৃগাংক শইকীয়া, কৰ্ণ চৰিত্ৰত শোণিত কুমাৰ ভূঞা, শকুনি চৰিত্ৰত অভিজিৎ গোস্বামী আৰু কৃষ্ণৰ চৰিত্ৰত অভিনয় কৰিছে বিমল ভূষণ মহন্তই। গান্ধাৰীৰ চৰিত্ৰত অভিনয় কৰিছে এঞ্জেলা চাংমাই।

০০০০

উত্তৰ-পূব সীমান্ত ৰে'লৱে ক্ৰীড়া সন্থাই প্ৰথমবাৰৰ বাবে লোকপ্ৰিয় গোপীনাথ বৰদলৈ ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ খিতাপ অৰ্জন কৰিছে। দলটোৱে কালি গুৱাহাটীৰ জজ খেলপথাৰত অনুষ্ঠিত ফাইনেলত নৰ্থ ইষ্ট ইউনাইটেড ফুটবল ক্লাবক টাইব্ৰেকাৰৰ সহায়ত ৭-৬ৰ ব্যৱধানত পৰাস্ত কৰে। খেলখন নিৰ্ধাৰিত সময়ত ১-১ গলত অমিমাংসিত হোৱাৰ পাছত অতিৰিক্ত সময়তো ফলাফল নোলোৱাত টাইব্ৰেকাৰৰ সহায় ল'বলগীয়া হয়।

০০০০

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত আজি বতৰ ঘাইকৈ ডাৱৰীয়া হৈ থকাৰ লগতে দুই এজাক বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৬ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ১৭ ডিগ্ৰী ছেলছিয়াছৰ আশে-পাশে থাকিব বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

০০০০

ঃঃ সমাপ্ত ঃঃ